# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 23-APR-2026
**Time :** 1845 HRS

# *Assamese Evening Bulletin*

১।	পশ্চিমবংগৰ প্ৰথম পৰ্যায় আৰু তামিলনাডুৰ একক পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ সম্পন্ন।

২।	পশ্চিম এছিয়াত সংঘৰ্ষৰ বাবে নাগৰিকসকল যাতে কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন নহয় সেয়া সুনিশ্চিত কৰিবলৈ চৰকাৰ বদ্ধপৰিকৰ।

৩।	শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদন সন্দৰ্ভত ৩০ এপ্ৰিললৈ ৰায়দান সংৰক্ষিত।

৪।	অহা ২৮ এপ্ৰিলত চলিত বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাৰ ফলাফল ঘোষণা।

**আৰু**

৫।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাই ইণ্ডিয়ানছ আৰু চেন্নাই ছুপাৰ কিংছ মুখামুখি।

০০০০০

পশ্চিমবংগ বিধানসভাৰ প্ৰথম পৰ্যায় আৰু তামিলনাডু বিধানসভাৰ একক পৰ্যায়ৰ ভোটগ্ৰহণ চলি আছে। সন্ধিয়া ৬ বজাত ভোটগ্ৰহণৰ সামৰণি পৰিব। অৱশ্যে ৬ বজাৰ পূৰ্বে শাৰীত থিয় হৈ থকা ভোটদাতাসকলক নিৰ্ধাৰিত সময়ৰ পাছতো ভোটদান কৰিবলৈ দিয়া হ'ব। পশ্চিমবংগত প্ৰথম পৰ্যায়ত ১৬ খন জিলাৰ ১৫২টা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হৈছে। ৰাজ্যখনত এই পৰ্যায়ত এহেজাৰ ৪৭৮ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। ১৫২টা সমষ্টিত ৪৪ হাজাৰ ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে আৰু ইয়াৰে ৭ হাজাৰ ৩৮৪টা অতি স্পৰ্শকাতৰ নাইবা জটিল বুলি চিনাক্ত কৰা হৈছে। ৰাজ্যখনত ৩ কোটি ৬০ লাখৰো অধিক ভোটদাতাই আজি গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ সুযোগ লাভ কৰিছে। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি ৰাজ্যখনত বিয়লি ৫ বজালৈ ৮৯ দশমিক ৯—০ শতাংশ ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিছে।

পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত দাৰ্জিলিং, কালিম্পং, জলপাইগুৰি, আলিপুৰদুৱাৰ, কোচবিহাৰ, উত্তৰ আৰু দক্ষিণ ডিনাজপুৰ, মালডা, মুৰ্শিদাবাদ, বীৰভুম, পশ্চিম বৰ্ধমান, পুৰুলীয়া, বাঁকুড়া, ঝাৰগ্ৰাম, পশ্চিম মেদিনীপুৰ আৰু পূব মেদিনীপুৰ জিলাত ভোটগ্ৰহণ অনুষ্ঠিত হৈছে।

ইপিনে তামিলনাডু বিধানসভাৰ ২৩৪ খন আসনৰ বাবে অনুষ্ঠিত ভোটগ্ৰহণত বিয়লি ৫ বজালৈ ৮২ দশমিক ২—৪ শতাংশ ভোটদান হৈছে। আজিৰ ভোটগ্ৰহণত ৫ কোটি ৭৩ লাখৰো অধিক ভোটদাতাই ৪ হাজাৰ ২৩ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব।

০০০০০

নিৰ্বাচন আয়োগে ৪ মে'ত হ'বলগীয়া ভোটগণনাৰ বাবে পৰহিলৈ গুৱাহাটীত প্ৰথমখন ৰাজ্যিক পৰ্যায়ৰ কৰ্মশালা অনুষ্ঠিত কৰিব। এই কৰ্মশালাত ৰাজ্যৰ প্ৰতিখন জিলাৰ আয়ুক্ত, প্ৰতিটো বিধানসভা সমষ্টিৰ বাবে নিয়োজিত ৰিটাৰ্নিং বিষয়া আৰু জিলা নিৰ্বাচন বিষয়াসকল উপস্থিত থাকিব। পৰৱৰ্তী পৰ্যায়ত ২৭ এপ্ৰিলৰ পৰা জিলাই জিলাই ভোটগণনাকাৰী বিষয়াসকলৰ প্ৰশিক্ষণ অনুষ্ঠিত হ'ব। ভোটগণনাৰ সময়ত প্ৰতিখন গণনা মেজত ন্যূনতম তিনিজনকৈ বিষয়া থাকিব জিলা সদৰসমূহত স্থাপন কৰা ষ্ট্ৰং ৰূমৰ কাষতে সাজু কৰা প্ৰতিটো গণনা কক্ষৰ বাবে নিয়োজিত মাইক্ৰ' অবজাৰ্ভাৰ সকলো গণনা কাৰ্যত উপস্থিত থাকিব। তদুপৰি ডাক বেলট গণনাৰ বাবে সুকীয়া কক্ষ থাকিব। প্ৰতিটো বিধানসভা সমষ্টিৰ ডাক বেলট গণনাৰ বাবে গণনা কক্ষসমূহত সুকীয়াকৈ ছখন পৰ্যন্ত মেজ ৰখাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ বাবে সংশ্লিষ্ট বিষয়াসকলক জিলা পৰ্যায়ত প্ৰশিক্ষণ দিয়া হ'ব।

ooooo

চৰকাৰে পশ্চিম এছিয়াত সংঘৰ্ষৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতিৰ ফলত নাগৰিকসকল যাতে কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন নহয় সেয়া সুনিশ্চিত কৰিবলৈ বদ্ধপৰিকৰ বুলি প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি এখন আন্তঃমন্ত্ৰালয় পৰ্যায়ৰ সংবাদ মেলত পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ সচিব সুজাতা শৰ্মাই কয় যে সমগ্ৰ দেশত ঘৰুৱা ৰন্ধন গেছৰ যোগান স্বাভাৱিক হৈ আছে আৰু কালি প্ৰায় ১২ লাখৰো অধিক চিলিণ্ডাৰ বিতৰণ কৰা হয়। ডি এ চি নম্বৰ ব্যৱহাৰ কৰি প্ৰায় ৯৪ শতাংশ চিলিণ্ডাৰ বিতৰণ কৰা হৈছে বুলি তেওঁ প্ৰকাশ কৰে। শ্ৰীমতী শৰ্মাই কয় যে বাণিজ্যিক ৰন্ধন গেছৰ যোগান সংঘৰ্ষৰ পূৰ্বৰ ৭০ শতাংশলৈ ঘূৰাই অনা হৈছে আৰু এপ্ৰিলত বৰ্তমানলৈকে ১ লাখ ৪০ টনৰো অধিক বাণিজ্যিক ৰন্ধন গেছ বিক্ৰী কৰা হৈছে।

বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰালয়ৰ অতিৰিক্ত সচিব মুকেশ মংগলে যোৱা ২৪ ঘণ্টাত বিদেশী জাহাজক লক্ষ্য কৰি গুলীবৰ্ষণৰ ঘটনা সংঘটিত হোৱা নাই বুলি সংবাদমেলত প্ৰকাশ কৰে। তেওঁ লগতে উপসাগৰীয় অঞ্চলেৰে যাত্ৰা কৰা ভাৰতীয় নাবিকসকল নিৰাপদে আছে বুলি মন্তব্য কৰে।

ooooo

ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদন সন্দৰ্ভত আজি পুনৰ শুনানি অনুষ্ঠিত হয়। আদালতে অভিযুক্তগৰাকীৰ জামিন আবেদনৰ শুনানি গ্ৰহণ কৰে আৰু ৩০ এপ্ৰিললৈ ৰায়দান সংৰক্ষিত ৰাখে। উল্লেখযোগ্য যে অভিযুক্ত মহন্তৰ জামিন আবেদন সন্দৰ্ভত কালি আদালতে শুনানি গ্ৰহণ কৰে যদিও সময়ৰ অভাৱত সেয়া সম্পূৰ্ণ নোহোৱাৰ বাবে আজি পুনৰ শুনানি অনুষ্ঠিত হয়। আজি অভিযুক্ত পক্ষৰ অধিবক্তাই শ্যামকানু মহন্তৰ জামিনৰ সপক্ষে যুক্তি আগবঢ়োৱাৰ বিপৰীতে অসম চৰকাৰৰ বিশেষ লোক অধিবক্তা জিয়াউৰ কামাৰে এই জামিন আবেদনৰ তীব্ৰ বিৰোধিতা কৰে। উভয় পক্ষৰ যুক্তি শুনাৰ পাছত আদালতে জামিন আবেদনৰ ৰায় প্ৰদানৰ বাবে ৩০ এপ্ৰিলৰ দিনটো ধাৰ্য কৰে। এই সন্দৰ্ভত এগৰাকী অধিবক্তাই সাংবাদিকৰ আগত এইদৰে কয়—

**বাইট (অধিবক্তা)**

আদালতত আজি অভিযুক্ত শ্যামকানু মহন্তৰ পত্নীয়ে আৰক্ষীয়ে জব্দ কৰা কেতবোৰ সামগ্ৰী ব্যক্তিগত বুলি উল্লেখ কৰি সেয়া ঘূৰাই বিচাৰি আবেদন দাখিল কৰিছিল। এই আবেদনখনৰো ৩০ এপ্ৰিলৰ দিনাই ৰায়দান কৰা হ'ব। ইপিনে আন এগৰাকী অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ অধিবক্তাই আজি ক'ৰ্ট ফি সংলগ্ন কৰি শপতনামা দাখিল কৰে। আদালতে কালি শপতনামাত ক'ৰ্ট ফি নলগোৱাৰ বাবে সেয়া শুনানিৰ বাবে গ্ৰহণ কৰিবলৈ অস্বীকাৰ

কৰিছিল। কাইলৈ সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদনৰ শুনানিৰ দিন ধাৰ্য কৰা হৈছে। ইয়াৰ সমান্তৰালকৈ আদালতে অভিযুক্তৰ ওপৰত গোচৰৰ ধাৰা আৰোপ সন্দৰ্ভতো কাইলৈ শুনানি গ্ৰহণ কৰিব।

০০০০০

চলিত বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাৰ ফলাফল অহা ২৮ এপ্ৰিলত ঘোষণা কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমযোগে এই কথা সদৰি কৰে। যোৱা ১১ ফেব্ৰুৱাৰীৰ পৰা ১৬ মাৰ্চলৈ অনুষ্ঠিত উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত এইবাৰ ৩ লাখ ৩০ হাজাৰ ৭৪৪ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। ইয়াৰে কলা শাখাত ২ লাখ ৪৭ হাজাৰ ৮৬৫ গৰাকী, বিজ্ঞান শাখাত ৬১ হাজাৰ ৫৬৮ গৰাকী আৰু বাণিজ্য শাখাত ১৯ হাজাৰ ৮০৬ গৰাকী পৰীক্ষাত অৱতীৰ্ণ হৈছিল।

০০০০০

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ চি বি এছ্ ইৰ দশম শ্ৰেণীৰ পৰীক্ষা, ২০২৬-ৰ দ্বিতীয় পৰ্যায় ১৫ মে'ৰ পৰা অনুষ্ঠিত হ'ব। প্ৰথম পৰ্যায়ৰ ফলাফল উন্নত কৰিব বিচৰা শিক্ষাৰ্থীসকলে এই পৰীক্ষা দিব পাৰিব। প্ৰথম পৰ্যায়ত উত্তীৰ্ণ সকলো বিদ্যাৰ্থীকে বিজ্ঞান, গণিত, সমাজ বিজ্ঞান আৰু ভাষাৰ ভিতৰৰ যিকোনো তিনিটা বিষয়ৰ ফলাফল উন্নত কৰাৰ বাবে পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰিব। উল্লেখযোগ্য যে চি বি এছ্ ইয়ে যোৱা ১৫ এপ্ৰিলত দশম শ্ৰেণীৰ ফলাফল ঘোষণা কৰিছিল।

০০০০০

উত্তৰ-পূব উন্নয়ন দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই আজি ভাৰ্চুৱেল ব্যৱস্থাৰে অষ্টলক্ষ্মী দৰ্শন যুৱ বিনিময় কাৰ্যসূচীৰ শিক্ষাৰ্থীসকলৰ সৈতে মত-বিনিময় কৰে। ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান গুৱাহাটী, অসম বিশ্ববিদ্যালয় আৰু তেজপুৰ বিশ্ববিদ্যালয়ৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে ১৫ মাৰ্চৰ পৰা এই বিনিময় কাৰ্যসূচীত অংশগ্ৰহণ কৰিছে। কথোপকথন কালত শ্ৰীসিন্ধিয়াই কাৰ্যসূচীত ভাগ লোৱা শিক্ষাৰ্থীসকলক নিজ নিজ ৰাজ্যত উত্তৰ পূৰ্বাঞ্চলৰ দূত হিচাপে কাম কৰিবলৈ উৎসাহিত কৰে। মন্ত্ৰীগৰাকীয়ে লগতে ৰাষ্ট্ৰীয় একতাৰ এনাজৰী সুদৃঢ় কৰা, পাৰস্পৰিক সন্মান বৃদ্ধি আৰু দেশৰ যুৱ প্ৰজন্মৰ মাজত উমৈহতীয়া দায়িত্বৰ মনোভাৱ গঢ়ি তোলাৰ ক্ষেত্ৰত এনে কাৰ্যসূচীৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰে। উত্তৰ পূৰ্বাঞ্চলৰ সংস্কৃতি, জনসাধাৰণ আৰু পৰম্পৰাৰ অভিজ্ঞতা প্ৰদান কৰি শিক্ষাৰ্থীসকলক ৰাষ্ট্ৰীয় একতা আৰু সংহতিৰ দূত ৰূপে গঢ়ি তোলাই অষ্টলক্ষ্মী দৰ্শন যুৱ বিনিময় কাৰ্যসূচী মূল উদ্দেশ্য বুলি তেওঁ উল্লেখ কৰে। আবেগিক সংহতি আৰু জনসাধাৰণ মাজত সম্পৰ্ক সুদৃঢ় কৰাৰ লগতে উমৈহতীয়া দায়িত্বৰ মনোভাৱ গঢ়ি তোলাৰ লক্ষ্যৰে উত্তৰ-পূব পৰিষদে এই কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে।

০০০০০

হাইলাকান্দিৰ ড০ অতনু নাথলৈ ২০২৬ বৰ্ষৰ ব্ৰেকথ্ৰু প্ৰাইজ ইন ফাণ্ডামেণ্টেল ফিজিক্স বঁটা আগবঢ়োৱা হৈছে। বিজ্ঞানৰ অস্কাৰ হিচাপে জনাজাত এই বঁটা বিশ্বৰ ৩৭৬ গৰাকী বিজ্ঞানীলৈ যৌথভাৱে আগবঢ়োৱা হৈছে। ইয়াৰ ভিতৰত ড০ অতনু নাথসহ ভাৰতৰ ১১গৰাকী বিজ্ঞানী আছে। ড০ নাথ এই সন্মান লাভ কৰা উত্তৰ-পূবৰ প্ৰথমগৰাকী বিজ্ঞানী। তেওঁ আধুনিক কণা বিজ্ঞানৰ যুগান্তকাৰী মিউয়ন জী টু পৰীক্ষাৰ বাবে এই সন্মান লাভ কৰিছে।

০০০০০

বাক্সা জিলাৰ সদৰ শালবাৰীত আজি নিখিল বড়ো ছাত্ৰ সন্থাৰ উদ্যোগত আয়োজিত এটা অনুষ্ঠানত ২০ সংখ্যক কমল কুমাৰ ব্ৰহ্ম সোঁৱৰণী বঁটা প্ৰদান কৰা হয়। সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত বড়ো মাধ্যমৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ১৪ গৰাকী শিক্ষাৰ্থীক এই বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত তেজপুৰ মহাবিদ্যালয়ৰ অধ্যাপক জোঁংচাৰ ব্ৰহ্ম, বড়ো সাহিত্য সভাৰ সম্পাদক নীলকান্ত গৈয়াৰীকে ধৰি কেইবাগৰাকী ব্যক্তি উপস্থিত থাকে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা দেওবাৰে দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৩ সংখ্যক খণ্ড। জনসাধাৰণে ১৮০০ ১১ ৭৮০০ শুল্কবিহীন নম্বৰত ফোন কৰি এই অনুষ্ঠানৰ বাবে নিজৰ মতামত আৰু দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব। জনসাধাৰণে নমো এপ নাইবা মাই গ'ভ মুকলি মঞ্চৰ জৰিয়তেও কাইলৈৰ ভিতৰত নিজৰ পৰামৰ্শ প্ৰেৰণ কৰিব পাৰে। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেৱছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটত **শিক্ষাৰ্থীৰ জীৱনত সহ-পাঠ্যক্ৰমৰ গুৰুত্ব** শীৰ্ষক এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত ভাগ ল'ব জ্যেষ্ঠ শিক্ষক, অভিনেতা, নাট্যকাৰ তথা পৰিচালক অসীম কৃষ্ণ বৰুৱাই। অনুষ্ঠানটিৰ আঁত ধৰিব জিণ্টী ৰাণী ডেকা আৰু পৰিস্মীতা দিহিঙীয়াই। অনুষ্ঠানটিৰ প্ৰযোজনা আকাশবাণী গুৱাহাটী বাতৰি বিভাগৰ।

০০০০০

চৰাইদেউ জিলা প্ৰশাসনে জিলাখনৰ চাহ উদ্যোগৰ সৈতে জড়িত ব্যৱসায় আৰু সৰবৰাহকাৰীসকলৰ বাবে এলানি নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি কেঁচা চাহপাত কঢ়িওৱা আৰু সংগ্ৰহ কৰাৰ ক্ষেত্ৰত এন অ' চিৰ ব্যৱস্থা পুনৰ কাৰ্যকৰী কৰা হৈছে। যিসকল অভিকৰ্তাই ২০২৬ বৰ্ষৰ বাবে জিলাখনৰ পৰা কেঁচা চাহপাত সৰবৰাহ কৰিব বিচাৰে তেওঁলোকে প্ৰশাসনৰ পৰা আগতীয়াকৈ অনুমতি লোৱাটো বাধ্যতামূলক হ'ব। উল্লেখযোগ্য যে জিলাখনত কেঁচা চাহপাতৰ সৰবৰাহ নিয়াৰিকৈ পৰিচালনা কৰাৰ লক্ষ্যৰে এই নিৰ্দেশনা জাৰি কৰা হৈছে।

০০০০০

ভাৰতীয় বন্যপ্ৰাণী প্ৰতিষ্ঠানৰ এটা দলে অৰুণাচল প্ৰদেশৰ নামদফা অৰণ্যত ভেকুলীৰ এটা ক্ষুদ্ৰ প্ৰজাতি আৱিস্কাৰ কৰিছে। আঢ়ৈৰ পৰা চাৰে তিনি চেণ্টিমিটাৰ দীঘল এই প্ৰজাতিৰ ভেকুলীয়ে বোকাৰে ঘৰ সাজি ল'ব পাৰে।

০০০০০

ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকাৰী তথা অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকাৰীৰ নিৰ্দেশমৰ্মে দৰং জিলাত অহা ৯ মে'ত ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন কৰা হৈছে। এই লোক আদালতৰ জৰিয়তে বিভিন্ন ফৌজদাৰী,

দেৱানী, পাৰিবাৰিক, মটৰ দুৰ্ঘটনা সম্পৰ্কীয় গোচৰ, ৰাজহ সংক্ৰান্তিয় গোচৰ আদিৰ ব্যয়হীন খৰতকীয়া নিষ্পত্তিৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি বেংকৰ লেনদেন সম্পৰ্কীয় গোচৰ, টেলিফোন বিল, বিদ্যুৎ মাচুল সম্পৰ্কীয় বিবাদসমূহো নিষ্পত্তি কৰা হ'ব। জনসাধাৰণৰ সুবিধাৰ্থে এনে গোচৰসমূহৰ আগতীয়া শুনানিৰো ব্যৱস্থা কৰা হৈছে। জিলাখনৰ আগতীয়াকৈ জাননী লাভ কৰা লোকসকলে জিলা আইন সেৱা প্ৰাধিকাৰীৰ কাৰ্যালয়ৰ সৈতে যোগাযোগ কৰি অথবা ই-মেইলযোগে এই সুবিধা ল'ব পাৰিব। জাননী লাভ নকৰা লোকসকলে দৰং জিলা কোষাগাৰৰ সমীপত থকা জিলা আইন সেৱা প্ৰাধিকাৰীৰ কাৰ্যালয়ত যোগাযোগ কৰি বিবাদ নিষ্পত্তিৰ সুবিধা ল'ব পাৰিব।

০০০০০

কালি দেহাৱসান ঘটা ৰাজ্যৰ বিশিষ্ট সাংবাদিক, অসমীয়া প্ৰতিদিন কাকতৰ প্ৰাক্তন সম্পাদক, নিৰন্ধকাৰ নিত্য বৰাৰ আজি নৱগ্ৰহ শ্মশানত শেষকৃত্য সম্পন্ন হয়। নৱগ্ৰহ শ্মশানত কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ হৈ অতিৰিক্ত আয়ুক্ত বুবুল বৈশ্য, সহকাৰী আয়ুক্ত নীলম গাৰ্গৰ লগতে অনেক গুণমুগ্ধই সাংবাদিকগৰাকীলৈ শেষ শ্ৰদ্ধা নিবেদন কৰে। অন্ত্যেষ্টিক্ৰিয়াৰ সময়ত বিধানসভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিন, বিশিষ্ট শিক্ষাবিদ ডঃ অমৰজ্যোতি চৌধুৰী, চিন্তাবিদ ময়ুৰ বৰা, লেখিকা মাইনী মহন্ত, অসম শিশু সাহিত্য ন্যাসৰ সচিব হৃষিকেশ গোস্বামী, পদ্মশ্ৰী সন্মানেৰে সন্মানিত নুৰুদ্দিন আহমেদকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

ধেমাজি জিলাৰ গাই নৈৰ ওপৰত নিৰ্মীয়মান দলঙৰ গাৰ্ডৱাল খহি পৰাৰ ঘটনাক লৈ আজি চিলাপথাৰত সদৌ অসম ছাত্ৰ সন্থাই প্ৰতিবাদ সাব্যস্ত কৰে। চিলাপথাৰৰ জোনাই সংমণ্ডল লোক নিৰ্মাণ কাৰ্যালয়ৰ সন্মুখত চিলাপথাৰ আঞ্চলিক ছাত্ৰ সন্থা আৰু মাদুৰীপথাৰ আৰু শ্ৰীপানী আঞ্চলিক ছাত্ৰ সন্থাৰ সদস্যসকলে দলং নিৰ্মাণকাৰী প্ৰতিষ্ঠান তথা লোকনিৰ্মাণ বিভাগৰ বিৰুদ্ধে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। উল্লেখযোগ্য যে নিলখৰৰ পৰা বালিজান সংযোগী গাই নৈৰ ওপৰত নিৰ্মীয়মান দলঙখনৰ গাৰ্ডৱাল ৰঙালী বিহুৰ দিনাই ভাঙি পৰাক লৈ বিভিন্ন ছাত্ৰ সংগঠনে ক্ষোভ প্ৰকাশ কৰিছে। কালি জাতীয়তাবাদী যুৱ পৰিষদে ধেমাজিৰ সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সন্মুখত দলং নিৰ্মাণকাৰী প্ৰতিষ্ঠানটোৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনাই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানছ চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা লক্ষ্ণৌৰ একনা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰাজস্থান ৰয়েলছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৪০ ৰানত পৰাস্ত কৰে।

০০০০০

লখিমপুৰ জিলাৰ ঢকুৱাখনাৰ বলাইঘাট দলঙৰ সমীপৰ পথৰ দাঁতিত আজি এজন লোকৰ মৃতদেহ উদ্ধাৰ হয়। মৃতদেহটো ম'হঘুলি চাপৰি নিবাসী ধন ৰাভা বুলি চিনাক্ত কৰা হৈছে। আমাৰ লখিমপুৰৰ সংবাদদাতাই জনোৱা মতে যোৱা নিশা প্ৰায় ৯ মান বজাত ঘৰৰ পৰা ওলাই অহা যুৱকজনৰ মৃতদেহ আজি পুৱাৰ ভাগত

বলাইঘাটত উদ্ধাৰ হোৱাত অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হয়। ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ প্ৰাৰম্ভিক তদন্ত আৰম্ভ কৰে আৰু মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে লখিমপুৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

০০০০০

নুনমাটিৰ শংকৰ নগৰ নিৱাসী দুৰ্গেশ্বৰ গগৈৰ আজি পুৱা দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬৫ বছৰ। অসম ৰাজ্যিক পৰিৱহন নিগমৰ কৰ্মচাৰী হিচাপে অৱসৰ গ্ৰহণ কৰা লোকজন বিগত কেইবামাহো ধৰি বৃক্কজনিত ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছিল। তেওঁৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

০০০০০

সমাপ্ত